জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮২৬/২০২০

# অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞানীৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## কৃষিখণ্ডৰ বিকাশ সাধনত অসম কৃষি বিশ্ববিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ ডিচেম্বৰ ঃ** আজি অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, শিক্ষক-কৰ্মচাৰীসকলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ কৃষিখণ্ডৰ উন্নয়ন সাধনত বিশ্ববিদ্যালয়খনে গ্ৰহণ কৰিব পৰা বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি অৰ্থনীতি শক্তিশালীকৰণৰ জৰিয়তে অসমৰ ভৱিষ্যত উজ্জ্বল ৰূপত গঢ় দিব লাগিব। ৰাজ্যখনৰ লাখ লাখ পৰিয়াল কৃষিৰ ওপৰত নিৰ্ভৰশীল। এই কৃষকসকলৰ অৰ্থনৈতিক উত্তৰণৰ বাবে আধুনিক ধ্যান-ধাৰণাৰে আগুৱাই লৈ যাব লাগিব। বিশ্ববিদ্যালয়খনে এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আধুনিক আন্তঃগাঁথনি, বজাৰ অৰ্থনীতিৰ স্থিতি শক্তিশালী কৰাৰ বাবে প্ৰয়াস কৰিব লাগিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কৃষক ৰাইজৰ উন্নয়ন সাধনৰ বাবে বহু আঁচনি গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয়খনে এই আঁচনিৰ মূল্যাংকন কৰি কৃষকক লাভান্বিত কৰাৰ বাবে কাম কৰিব লাগিব। পৰম্পৰাগত কৃষি অৰ্থনীতিৰ জৰিয়তে কৃষকৰ আৰ্থিক উন্নয়ন সম্ভৱ নহয়। কৃষিখণ্ডত অত্যাধুনিক ব্যৱস্থাৰে ৰূপান্তৰ সাধন কৰিব লাগিব বুলিও তেওঁ কয়। খেতিয়ক আৰু কৃষি বিজ্ঞানীসকলৰ সম্বন্ধ অধিক সুদৃঢ় হ'লে কৃষকসকল উপকৃত হ'ব পাৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধুনিক কৃষিৰ প্ৰতি কৃষকসকলক আকৰ্ষিত কৰিব পৰাকৈ বিশ্ববিদ্যালয়খনে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। কৃষক সমাজৰ মনত কৃষি বিজ্ঞানীসকলৰ এক সুকীয়া স্থান আছে। খেতিয়কসকলক সেই অনুভূতিৰে জগাই তুলিব লাগিব। বজাৰৰ চাহিদা, কৃষি সামগ্ৰী ক্ৰয়, বজাৰ ব্যৱস্থা সকলো ক্ষেত্ৰতে আধুনিক সময়ৰ সৈতে খোজ পেলাব পৰাকৈ পৰিৱৰ্তন সাধন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকৰ স্বাভিমান বৃদ্ধিৰ বাবে নিৰলস কাম কৰি আহিছে। 'আত্মনিৰ্ভৰশীল ভাৰত'ৰ অধীনত ১ লাখ কোটি টকা কৃষিখণ্ডৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে। এই পুঁজিৰ পৰা অসমে লাভ কৰিবলগীয়া ধনেৰে কিদৰে কৃষিৰ আন্তঃগাঁথনি শক্তিশালী কৰিব পৰা যায় সেই দিশতো চিন্তা-চৰ্চ্চা কৰিব লাগিব। আত্মনিৰ্ভৰ হ'লেহে আত্মসন্মান বৃদ্ধি পায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কৃষকৰ উৎপাদন দুগুণলৈ বৃদ্ধিৰে কৃষকৰ আত্মসন্মান বৃদ্ধি কৰিব লাগিব। এই ক্ষেত্ৰত ভিয়েটনামে উৎকৃষ্ট নিদৰ্শন দেখুৱাইছে বুলিও তেওঁ কয়। কৃষকসকলক কৃষি বিজ্ঞানীসকলে পৰামৰ্শ দিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে 'এক্ট ইষ্ট পলিচি'ৰ ফলত দক্ষিণ এছিয়াৰ দেশসমূহৰ সৈতে ব্যৱসায়িক সম্পৰ্ক গঢ়াৰ পথ সুগম হৈছে। অসমৰ উৎপাদিত সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰিছে। জৈৱিক কৃষিৰ বিকাশ সাধনৰ ওপৰতো তেওঁ গুৰুত্ব

আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমাৰ ৰাজ্যখনৰ কৃষি উৎপাদন ১৮ শতাংশ বৃদ্ধি পাইছে।

আজিৰ এই সভাত কৃষি মন্ত্ৰী অতুল বৰা, কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বিদ্যুৎ চন্দন ডেকাইও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক কে কে শইকীয়া, যোৰহাট জিলাৰ উপায়ুক্ত প্ৰমুখ্যে বিশ্ববিদ্যালয়খনৰ শিক্ষক, কৰ্মচাৰীসকল উপস্থিত আছিল।

**পুঃডেঃ / বঃভাঃ**
**১১/১২/২০২০**